**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-01-2025 **Time :** 1800 Hrs

***Assamese Evening Bulletin***
***Headlines***

০০০০০০০০

অসমীয়াৰ বাপতি সাহোন ভোগালী বিহু উপলক্ষে আজি সমগ্ৰ ৰাজ্যতে ব্যাপক উছাহ-উদ্দীপনাৰ পৰিৱেশ বিৰাজ কৰিছে। আজি পুৱাই ৰাইজে মেজি জ্বলাই অগ্নিক সেৱা কৰি নেদেখাজনৰ আশিস লয়। ইয়াৰ পাছতে কনিষ্ঠজনে জ্যেষ্ঠজনক সেৱা জনাই আশীৰ্বাদ লয়। সম্প্ৰীতি আৰু সমন্বয়ৰ প্ৰতীক ভোগালী বিহুৰ মেজিৰ জুয়ে সমাজৰ পৰা অসূয়া অপ্ৰীতি দূৰ কৰি শান্তি আৰু সম্প্ৰীতি কঢ়িয়াই অনাৰ বাবে ৰাইজে কামনা কৰে।

ৰাজ্যৰ বিভিন্ন প্ৰান্তত ভোগালী বিহু পালনৰ বাতৰি আমালৈ আহি আছে। **কাৰ্বি আংলং** জিলাত ব্যাপক উছাহ-উদ্দীপনাৰে ভোগালী বিহু পালন কৰা হৈছে। জিলাখনৰ ডিফু ক্লাবত পুৱা মেজি জ্বলাই ৰাইজে সমূহীয়াভাৱে অগ্নি সেৱা কৰাৰ লগতে সমাজৰ পৰা অপায়-অমংগল দূৰ কৰি ভাতৃত্ববোধৰ এনাজৰী দৃঢ় কৰাৰ কামনা কৰে। ডিফু ক্লাবৰ উদ্যোগত প্ৰীতি চাহ মেলৰ আয়োজন কৰাৰ লগতে কণ কণ শিশুসকলৰ মাজত বিভিন্ন খেল-ধেমালি অনুষ্ঠিত হয়।

মাঘ বিহু উপলক্ষে **গোলাঘাট** জিলা আৰক্ষীয়ে অৱসৰপ্ৰাপ্ত আৰক্ষী বিষয়াসকলৰ সৈতে প্ৰীতি সন্মিলনৰ আয়োজন কৰে। গোলাঘাট সংৰক্ষিত আৰক্ষী ছাউনীত অনুষ্ঠিত এই সন্মিলনত জিলা আৰক্ষী অধীক্ষক ৰাজেন সিং, আয়ুক্ত পুলক মহন্তৰ লগতে প্ৰায় ৩০০ গৰাকী অৱসৰপ্ৰাপ্ত আৰক্ষী বিষয়াই অংশগ্ৰহণ কৰে।

**মাজুলী** জিলাত আজি পৰম্পৰাগত নীতি-নিয়মৰ মাজেৰে ভোগালী বিহু পালন কৰা হৈছে। পুৱাৰ ভাগত বৰগায়নৰ হৰি ধ্বনিৰে মেজিত অগ্নি সংযোগ কৰি সকলোৱে জনসাধাৰণৰ কুশলাৰ্থে প্ৰাৰ্থনা কৰে। ইয়াৰ পাছত নাম কীৰ্তন, গুৰু সেৱা, ভকত সেৱা, নাম সেৱা আদি অনুষ্ঠিত কৰা হয়।

**তিনিচুকীয়া** জিলাতো ভোগালী বিহু উপলক্ষে উলহ-মালহ পৰিৱেশে বিৰাজ কৰে।

০০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মাঘবিহুৰ দিনা কেইবাটাও কাৰ্য্যসূচীত অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীয়ে দক্ষিণ কামৰূপৰ ৰাণী চাপৰিৰ বিস্তীৰ্ণ শস্য ক্ষেত্ৰ পৰিদৰ্শন কৰি কৃষকসকলৰ বিভিন্ন সমস্যাৰ বুজ লয়। ৰাণী চাপৰিৰ কৃষকসকলৰ সৈতে মত বিনিময় কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই চাপৰিটোৰ যুৱ সমাজে আত্ম-নিৰ্ভৰ কৃষিৰ জৰিয়তে কৃষি খণ্ডৰ বজাৰত প্ৰভাৱ পেলাবলৈ সাজু হৈ উঠা বুলি মন্তব্য কৰে। মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰা অনুসৰি, অঞ্চলটোত যুৱ কৃষকসকলে জৈৱিক পদ্ধতিৰে ৭০০ হেক্টৰতকৈও অধিক চাপৰিৰ মাটিত বিভিন্ন শস্য উৎপাদন কৰিছে। ইয়াৰ পাছত মুখ্যমন্ত্ৰীয়ে দক্ষিণ কামৰূপৰ গড়লত স্থানীয় লোকে আয়োজন কৰা ভোগালী বিহুৰ অনুষ্ঠানত অংশগ্ৰহণ কৰি ৰাইজক বিহুৰ শুভেচ্ছা জ্ঞাপন কৰে।

ইয়াৰ পাছতে মুখ্যমন্ত্ৰী শৰ্মাই গাৰীগাঁৱৰ নামঘৰত সেৱা লৈ স্থানীয় লোকৰ সমস্যাৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে গাঁওখনৰ বানপানীৰ সমস্যা সমাধান, ৰাজহুৱা শ্মশান নিৰ্মাণ, খেলপথাৰৰ সুবিধা আদিকে ধৰি অন্যান্য প্ৰয়োজনসমূহ একাদিক্ৰমে পূৰণ কৰা হ'ব বুলি আশ্বাস দিয়ে। ইয়াৰ পাছত মুখ্যমন্ত্ৰী শৰ্মাই সদিলাপুৰত দেৱকান্ত সমূহীয়া প্ৰেক্ষাগৃহটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে।০০০০০

০০০০০০০০

অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত হ'বলগীয়া এডভাণ্টেজ আছাম শীৰ্ষক বিনিয়োগ আৰু আন্তঃগাঁথনি শীৰ্ষ সন্মিলনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ তথ্য প্ৰযুক্তি, বিজ্ঞান আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই আজি কোৱালালামপুৰত মালয়েছিয়াৰ ডিজিটেল মন্ত্ৰী গোবিন্দ সিং দেউ আৰু ডিজিটেল উপ-মন্ত্ৰী উইছন ওগাক সাক্ষাৎ কৰে। ইয়াৰ পাছত তেওঁ ডিজিটেল উপ-মন্ত্ৰী উইছন ওগাৰ সৈতে অসম আৰু মালয়েছিয়াৰ মাজত তথ্য প্ৰযুক্তি খণ্ডত সহযোগিতা আৰু সমৰ্থন সন্দৰ্ভত বৈঠকত মিলিত হয়। বৈঠকত অত্যাধুনিক তথ্য প্ৰযুক্তি আৰু ছফ্‌টৱেৰ, ডাটা সুৰক্ষা, চাইবাৰ নিৰাপত্তা আদিকে ধৰি বিভিন্ন বিষয়ত আলোচনা কৰা হয়। ইয়াৰ পূৰ্বে পুৱাৰ ভাগত মন্ত্ৰীগৰাকীয়ে কোৱালালামপুৰৰ পুত্ৰজায়াত মালয়েছিয়া চৰকাৰৰ পৰ্যটন, কলা আৰু সংস্কৃতি উপ-মন্ত্ৰী খাইৰুল ফিৰদোছ্ আকবৰ খানক সাক্ষাৎ কৰে। তেওঁ লগতে দেশখনৰ বিনিয়োগ, বাণিজ্য আৰু উদ্যোগ দপ্তৰৰ উপ-মন্ত্ৰী লিউ চিন টঙক সাক্ষাৎ কৰি অসমত ছেমি কণ্ডাক্টৰ খণ্ডৰ বিকাশৰ ক্ষেত্ৰত মালয়েছিয়াৰ সহায়, সমৰ্থনৰ বাবে অনুৰোধ জনায়। উল্লেখযোগ্য যে এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ আন্তঃৰাষ্ট্ৰীয় প্ৰচাৰৰ বাবে তিনিদিনীয়া ভ্ৰমণসূচীৰে মালয়েছিয়ালৈ যোৱা মন্ত্ৰী কেশৱ মহন্তই আজি ভ্ৰমণৰ অন্তিম দিনা দেশখনৰ বিভিন্ন বিভাগৰ প্ৰতিনিধিসকলক এই শীৰ্ষ সন্মিলনত অংশগ্ৰহণৰ বাবে আমন্ত্ৰণ জনায়। এই সময়ছোৱাত মন্ত্ৰীগৰাকীক মালয়েছিয়াত থকা ভাৰতৰ উপ-উচ্চায়ুক্ত সুভাসিনী নাৰায়ণন, অসম চৰকাৰৰ উদ্যোগ বাণিজ্য আৰু ৰাজহুৱা উদ্যম বিভাগৰ সচিব ডাঃ এছ্ লক্ষ্মনন, ভাৰতৰ উচ্চ আয়োগৰ বাণিজ্য সচিব ড০ অৰবিন্দকে ধৰি আন কেইবাগৰাকী ব্যক্তিয়ে সংগ দিয়ে।

০০০০০০০০

অসম চৰকাৰে ২০০৬ চনৰ পূৰ্বে স্থাপন হোৱা কিন্তু প্ৰাদেশীকিকৰণ প্ৰক্ৰিয়াৰ পৰা বহিৰ্ভূত শিক্ষানুষ্ঠানসমূহৰ ক্ষেত্ৰত দেখা দিয়া সমস্যা সমাধান কৰি যাৱতীয় ব্যৱস্থা গ্ৰহণৰ বাবে মন্ত্ৰীসভাৰ এখন উপ-সমিতি গঠন কৰিছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ নেতৃত্বৰ এই সমিতিখনে এই বিষয়ত উদ্ভৱ হোৱা আঁসোৱাহসমূহ দূৰ কৰাৰ বাবে পৰামৰ্শ প্ৰদান কৰিব। সমিতিয়ে লগতে প্ৰশাসনীয় ক্ষেত্ৰত পৰিৱৰ্তন আৰু সংশোধনীৰ বাবেও প্ৰয়োজনীয় পৰামৰ্শ দিব। সমিতিখনে ১৫ ফেব্ৰুৱাৰীৰ পূৰ্বে প্ৰতিবেদন দাখিল কৰিব।

একেদৰে, ৰাজ্যৰ আশা কৰ্মী, আশা সহায়িকা আৰু মধ্যাহ্ন ভোজনৰ কৰ্মীসকলৰ দৰমহা আৰু পাৰিশ্ৰমিক সন্দৰ্ভত ওজৰ-আপত্তি নিষ্পত্তিৰ বাবে ৰাজ্যিক মন্ত্ৰীসভাৰ এখন উপ-সমিতি গঠন কৰা হৈছে। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অনুৰোধমৰ্মে এই সমিতিখন গঠন কৰিছে। বিত্ত, মহিলা আৰু শিশু কল্যাণ মন্ত্ৰী অজন্তা নেওগৰ অধ্যক্ষতাত গঠিত এই সমিতিৰ সদস্য হিচাপে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংহল, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকা আছে।

এই সমিতিখনে এই কৰ্মীসকলৰ ওজৰ-আপত্তিসমূহ ভালদৰে চালি-জাৰি চাই ১৫ ফেব্ৰুৱাৰীৰ ভিতৰত ইয়াৰ প্ৰতিবেদন দাখিল কৰিব।

oooooooo

খো খো বিশ্বকাপত নতুন দিল্লীৰ ইন্দিৰা গান্ধী ইনড'ৰ ষ্টেডিয়ামত আজি সন্ধিয়া ভাৰতৰ মহিলা দলে নিজৰ প্ৰথমখন খেলত দক্ষিণ কোৰিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। একেটা ষ্টেডিয়ামতে আন এখন খেলত ভাৰতৰ পুৰুষ দলে আজি নিশা ৮ বাজি ১৫ মিনিটত ব্ৰাজিলৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতে কালি প্ৰথমখন খেলত নেপালৰ বিৰুদ্ধে বিজয়েৰে নিজৰ অভিযান আৰম্ভ কৰিছে।

oooooooo

সমাপ্ত